# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 03-05-2025

**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

৭ মে'ত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ চলি আছে। শাসকীয় বিজেপিৰ লগতে মিত্ৰদল অসম গণ পৰিষদ আৰু বিৰোধী দল কংগ্ৰেছৰ উপৰি অন্যান্য ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীসকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ আজাৰা-ধাৰাপুৰ, গৰল আৰু নগাঁৰত প্ৰচাৰ কাৰ্যসূচীত অংশ লয়। প্ৰচাৰ সভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অসমক দেশৰ ৫ খন শ্ৰেষ্ঠ ৰাজ্যৰ তালিকাত অন্তৰ্ভুক্ত কৰোৱাৰ বাবে এন ডি এ চৰকাৰে চলাই অহা প্ৰয়াসৰ বিষয়ে উল্লেখ কৰে। নগাঁৰত আয়োজিত প্ৰচাৰ সভাত মন্ত্ৰী কেশৱ মহন্তৰ লগতে ভালেসংখ্যক নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই আজি জাগীৰোড সমষ্টিৰ ঔজাৰিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। এই সভাত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বিধায়ক ৰমাকান্ত দেউৰীৰ লগতে ভালসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে। দলৰ সভাপতিগৰাকীয়ে আজি মন্ত্ৰী হাজৰিকাৰ সৈতে মায়ং আঞ্চলিক ক্ৰীড়া সন্থাৰ খেলপথাৰত আন এখন নিৰ্বাচনী সভাত অংশ লয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দক্ষিণ কামৰূপৰ ৰঙামাটিত প্ৰচাৰ চলায়। আবেলি তেওঁ বিলাসীপাৰাৰ শালকোচা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত প্ৰচাৰ সভাত অংশ ল'ব।

কংগ্ৰেছ দলৰ হৈ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰা, জ্যেষ্ঠ নেতা প্ৰদ্যুৎ বৰদলৈ, ৰিপুন বৰা, সাংসদ গৌৰৱ গগৈ, ৰকিবুল হুছেইন, দলৰ নেত্ৰী মীৰা বৰঠাকুৰকে ধৰি নেতাসকলে প্ৰচাৰ চলাই আছে। একেদৰে অসম জাতীয় পৰিষদ আৰু ৰাইজৰ দলেও প্ৰচাৰ অব্যাহত ৰাখিছে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰিনজ্যোতি গগৈয়ে আজি নলবাৰীৰ পশ্চিম বৰভাগ জিলা পৰিষদৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়।

০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানৰ বনাঞ্চলত কালি তিনিটা বনৰীয়া হাতীৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক লৈ বন বিভাগে স্পষ্টিকৰণ দিছে। বিভাগে এখন প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ কৰা মতে মানস ৰাষ্ট্ৰীয় উদ্যানৰ পাণবাৰী সংমণ্ডলৰ অধীনৰ এলেকাত দুটা হাতী চোৰাং চিকাৰীয়ে গুলীয়াই হত্যা কৰি হাতীৰ দাঁত দুটা লৈ যায়। ইপিনে আন এটা মাইকী হাতীৰ মৃতদেহ পাণবাৰী সংমণ্ডলৰ বনছম এলেকাৰ পানী যুৰলিত উদ্ধাৰ কৰা হয় বুলি বিজ্ঞপ্তিখনত প্ৰকাশ কৰা হৈছে। প্ৰাকৃতিক কাৰণতে হাতীটোৰ মৃত্যু হোৱা বুলি উল্লেখ কৰা হৈছে। এই ঘটনা সন্দৰ্ভত বন বিভাগৰ উচ্চ পদস্থ বিষয়া আৰু বিশেষজ্ঞৰ দলে অনুসন্ধান চলাই আছে। উল্লেখযোগ্য যে আজি এই ঘটনাক লৈ উদ্যানখনৰ বাঁহবাৰী সংমণ্ডলৰ প্ৰৱেশদ্বাৰত সদৌ অসম ছাত্ৰ সন্থাৰ আঞ্চলিক সমিতি আৰু

সদৌ অসম আদিবাসী ছাত্ৰ সংস্থাই সংবাদ মেলৰ আয়োজন কৰে। সংবাদ মেলত সংগঠন দুটাই বি টি আৰ প্ৰশাসন আৰু বন বিভাগক সমালোচনা কৰি দোষীক উচিত শাস্তি বিহাৰ দাবী তোলে।

ooooo

জাপানৰ হাউছ্ অৱ ৰিপ্ৰেজেণ্টেটিভছ্ তথা নিম্ন সদনৰ অধ্যক্ষ নুকাগা ফুকুছিৰো অসমলৈ আহিব। ফুকুছিৰোৰ সৈতে জাপানৰ সাংসদ, জাপান চৰকাৰৰ উচ্চ পৰ্যায়ৰ আমোলা বিষয়া, ব্যৱসায়ী আৰু সংবাদ মাধ্যমৰ প্ৰতিনিধিকে ধৰি এটা ৫৫ জনীয়া দলে অসম ভ্ৰমণ কৰিব। আজি সন্ধিয়া দলটোৱে গুৱাহাটী বিমান বন্দৰত অৱতৰণ কৰিব। বিমান বন্দৰৰ পৰা পোনে পোনে অসম বিধানসভা ভৱনলৈ আহিব। বিধানসভাত জাপানৰ প্ৰতিনিধিৰ দলটো ৰাজ্যপাল, মুখ্যমন্ত্ৰী আৰু অসম বিধানসভাৰ অধ্যক্ষৰ সৈতে বৈঠকত মিলিত হ'ব। জাপানৰ এই প্ৰতিনিধি দলটোৰ সন্মানাৰ্থে বিধানসভাৰ চৌহদতে সাংস্কৃতিক অনুষ্ঠান তথা নৈশ ভোজৰো আয়োজন কৰা হৈছে। দলটোৱে কাইলৈ গুৱাহাটী আই আই টি আৰু জাগীৰোডত নিৰ্মীয়মান ছেমিকণ্ডাক্টৰ প্ৰকল্পস্থলী পৰিদৰ্শন কৰিব। দলটোৱে স্বাস্থ্য, শিক্ষা, মানৱ সম্পদ সন্দৰ্ভত মুখ্যমন্ত্ৰী তথা বিধানসভাৰ অধ্যক্ষৰ সৈতে আলোচনাত মিলিত হ'ব। অসমত বিভিন্ন ক্ষেত্ৰত বিনিয়োগ সন্দৰ্ভতো আলোচনা হোৱাৰ সম্ভাৱনা আছে। জাপানৰ নিম্ন সদনৰ অধ্যক্ষসহ প্ৰতিনিধিৰ দলটো ৫ মে'ত অসমৰ পৰা উভতি যাব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নুকাগা ফুকুছিৰোৰ নেতৃত্বত অসমলৈ অহা জাপানৰ প্ৰতিনিধি দলটোক সামাজিক মাধ্যমযোগে আদৰণি জনোৱাৰ লগতে প্ৰতিনিধিৰ দলটোৰ এই ভ্ৰমণে জাপানৰ সৈতে অসমৰ সহযোগিতাৰ বান্ধোন বৃদ্ধি কৰিব বুলি আশা প্ৰকাশ কৰে।

ooooo

অসমত আবৃত্তিৰ ধাৰা শীৰ্ষক শৃংখলাৰ দ্বিতীয়টো দৃষ্টিপাত আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত ভাগ ল'ব বিশিষ্ট গীতিকাৰ, শিক্ষাবিদ ড° অমৰজ্যোতি চৌধুৰী, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বিনীতা বৰা দেৱচৌধুৰী আৰু বিশিষ্টা আবৃত্তিকাৰ জুলিয়ানা বেগমে। এই অনুষ্ঠানটোৰ পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

সমগ্ৰ দেশৰ লগতে ৰাজ্যৰ ভিন্ন প্ৰান্তত কাইলৈ চিকিৎসা আৰু দন্ত চিকিৎসা মহাবিদ্যালয়ৰ নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰৱেশ পৰীক্ষা চমুকৈ NEET অনুষ্ঠিত হ'ব। পৰীক্ষা ত্ৰুটিহীন পৰিচালনাৰ বাবে ৰাজ্য চৰকাৰে প্ৰতিখন জিলাতে নিৰীক্ষক হিচাপে একোজনকৈ উচ্চ পৰ্যায়ৰ প্ৰশাসনিক বিষয়া এটা বিশেষ নিৰ্দেশনা জৰিয়তে নিয়োগ কৰিছে। বিয়লি ২ বজাৰ পৰা ৫ বজালৈ হ'বলগীয়া পৰীক্ষাৰ বাবে প্ৰতিখন জিলাতে প্ৰশাসনে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অকৰ্তৃশীলভাৱে যিকোনো লোকৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীয়ে কৰ্তৃপক্ষৰ দ্বাৰা স্বাক্ষৰিত প্ৰৱেশ পত্ৰ দেখুৱাইছে পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিব পাৰিব। একেদৰে পৰীক্ষাত নিয়োজিত বিষয়া-কৰ্মচাৰী, আইন শৃংখলা আৰু জৰুৰীকালীন সেৱাত নিয়োজিত চৰকাৰী বিষয়া-কৰ্মচাৰীয়েহে পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰিব পাৰিব। পৰীক্ষাৰ্থীয়ে কেলকুলেটৰ, মোবাইল ফোনকে ধৰি যিকোনো ধৰণৰ যোগাযোগৰ বৈদ্যুতিন সামগ্ৰী বা কোনো ধৰণৰ আপত্তিজনক সামগ্ৰী পৰীক্ষা কেন্দ্ৰলৈ নিব নোৱাৰিব। পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ

ব্যাসার্ধৰ ভিতৰত কোনো বিপণীয়ো খোলা ৰাখিব নোৱাৰিব। পৰৱৰ্তী নিৰ্দেশনা নিদিয়া পৰ্যন্ত এই বাধা আৰোপ বাহাল থাকিব আৰু কোনো ব্যক্তিয়ে বাধা উলংঘা কৰিলে ভাৰতীয় ন্যায় সংহিতা ২০২৩ৰ ২২৩ ধাৰাৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০

সমাপ্ত